
# সমগ্ৰ অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী

## অদ্যাৱধিকৰণ প্ৰক্ৰিয়াৰ ১ম পৰ্য্যায়ৰ কাম আৰম্ভ হ'ল....

- সকলোবোৰ জিলাত ২৫০০ এন এছ কে (নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ) মুকলি; উপলব্ধ অনুযায়ী, সমগ্ৰ ৰাজ্যখনৰ ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে প্ৰকাশিত ভোটাৰ তালিকাসমূহৰ তথ্যসমূহ প্ৰত্যেকটো নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ (এন এছ কে)ত কম্পিউটাৰসম্ভূত ৰূপত মজুত।
- উপলব্ধ অনুযায়ী, ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ আৰু ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে প্ৰকাশিত ভোটাৰ তালিকাসমূহৰ ছপা কৰা প্ৰতিলিপি নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ (এন এছ কে)ত আৰু ভোটগ্ৰহণ কেন্দ্ৰসমূহত প্ৰকাশিত।
- উপলব্ধ অনুযায়ী, ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে প্ৰকাশিত ভোটাৰ তালিকাসমূহৰ কম্পিউটাৰসম্ভূত তথ্য অনলাইন (ৱেবচাইট - nrcassam.nic.in)ত মুকলি কৰা হৈছে।



**আপোনাৰ পূৰ্বপুৰুষৰ নাম আৰু তথ্য-পাতি চাবলৈ নিকটৱৰ্ত্তী এন আৰ চি সেৱা কেন্দ্ৰ বা ভোটগ্ৰহণ কেন্দ্ৰলৈ আহক অথবা এন আৰ চি ৱেবচাইট চাওক...**

**ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী অদ্যাৱধিকৰণৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটো নিম্নলিখিত পৰ্য্যায়ত সম্পন্ন কৰা হ'ব - ১ লিগেচি ডাটা প্ৰকাশৰ পৰ্য্যায় ২ আৱেদনপত্ৰ বিতৰণ আৰু গ্ৰহণৰ পৰ্য্যায় ৩ পৰীক্ষণৰ পৰ্য্যায় ৪ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ খচৰা প্ৰকাশ আৰু দাবী / আপত্তিসমূহ গ্ৰহণৰ পৰ্য্যায় ৫ চূড়ান্ত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰকাশ -**
প্ৰথম পৰ্য্যায়ত ২৫০০ টা এন আৰ চি সেৱা কেন্দ্ৰ মুকলি কৰাৰ লগে লগে **"লিগেচি ডাটা প্ৰকাশ"** পৰ্য্যায়ৰ আনুষ্ঠানিক আৰম্ভণি কৰা হৈছে। ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশালৈকে প্ৰকাশিত ভোটাৰ তালিকাসমূহৰ তথ্য **যাক একেলগে লিগেচি ডাটা বুলি কোৱা হয়,** সকলো এন আৰ চি সেৱা কেন্দ্ৰ আৰু আপোনাৰ সমীপৱৰ্ত্তী ভোট গ্ৰহণ কেন্দ্ৰসমূহৰ উপৰিও এন আৰ চি ৱেবচাইট (**nrcassam.nic.in**)ত উপলব্ধ হ'ব। আপোনাৰ এলেকাৰ নাগৰিকপঞ্জী সেৱা কেন্দ্ৰৰ স্থান সম্বন্ধে জানিবলৈ অনুগ্ৰহ কৰি আমাৰ ৱেবচাইট চাওক বা বিনামূলীয়া হেল্পলাইন নম্বৰ ১৫১০৭ লৈ ফোন কৰক।

## জনসাধাৰণে লিগেচি ডাটাৰ সন্ধান কৰাৰ প্ৰয়োজনীয়তা কি ?

লিগেচি ডাটাত নাম থকা পূৰ্বজৰ লগত যোগসূত্ৰ স্থাপিতকৰণেই হৈছে অদ্যাৱধিকৰণ কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ যোগ্যতা প্ৰতিপন্ন কৰাৰ সহজ উপায়। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে দাখিল কৰিবলগীয়া আৱেদনপত্ৰত আৱেদনকাৰীয়ে স্থাপিত যোগসূত্ৰৰ সঠিক তথ্য উল্লেখ কৰিব লাগিব। আৰু সেয়েহে নাগৰিকসকলে তেওঁলোকৰ পূৰ্বজৰ লগত যোগসূত্ৰ বিচাৰি লিগেচি ডাটাৰ সন্ধান কৰিব লাগে।

## লিগেচি ডাটা ক'ড

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী অদ্যাৱধিকৰণ প্ৰক্ৰিয়াত নাগৰিকসকলে নাম অন্তৰ্ভুক্ত কৰাৰ বাবে দাখিল কৰিবলগীয়া আৱেদনপত্ৰত পূৰ্বপুৰুষৰ লগত থকা যোগসূত্ৰৰ সহজ উল্লেখ সম্ভৱপৰ কৰি তুলিবলৈ **"লিগেচি ডাটা ক'ড"** পদ্ধতিৰ সৃষ্টি কৰা হৈছে। লিগেচি ডাটা ক'ডটো লিগেচি ডাটাত নাম থকা প্ৰত্যেক ব্যক্তিৰ বিপৰীতে প্ৰদান কৰা 'xxx-xxxx-xxxx' আৰ্হিৰ ১১ (এঘাৰ) সংখ্যাৰ এটা নম্বৰ। যেতিয়াই পূৰ্বজ এজনৰ নাম লিগেচি ডাটাত বিচাৰি পোৱা যায়, লিগেচি ডাটা ক'ড যুক্ত লিগেচি ডাটা শ্লিপ এখন ছপা কৰি আৱেদনকাৰীক প্ৰদান কৰা হ'ব। আৱেদনপত্ৰ দাখিল কৰাৰ সময়ত আৱেদনপত্ৰত এই **লিগেচি ডাটা ক'ড**টো আৱেদনকাৰীয়ে যথাস্থানত উল্লেখ কৰিব লাগিব। আৱেদনপত্ৰ দাখিল কৰাৰ প্ৰক্ৰিয়া ইংৰাজী ২০১৫ চনৰ এপ্ৰিল মাহৰ অন্তিম সপ্তাহত আৰম্ভ হ'ব। উপযুক্ত **লিগেচি ডাটা ক'ড** সন্ধান আৰু প্ৰদানৰ / প্ৰাপ্তিৰ ব্যৱস্থা তলত উল্লেখ কৰা হ'ল ঃ

**(ক) এন আৰ চি সেৱা কেন্দ্ৰত** - কম্পিউটাৰৰ মাধ্যমেৰে কৰা সন্ধান নাইবা ছপা কৰা প্ৰতিলিপি চাই কৰা সন্ধানৰ জৰিয়তে। **(খ) অনলাইন (ৱেবচাইট - nrcassam.nic.in)**ত - কম্পিউটাৰৰ মাধ্যমেৰে কৰা সন্ধানৰ জৰিয়তে। **(গ) ভোটগ্ৰহণ কেন্দ্ৰত** - ছপা কৰা লিগেচি ডাটাৰ প্ৰতিলিপি চাই কৰা সন্ধানৰ পিছত মনোনীত নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ (এন এছ কে)ৰ পৰা লিগেচি ডাটা ক'ড সংগ্ৰহৰ জৰিয়তে।

কোনো নাগৰিকৰ লগত থকা লিগেচি ডাটাৰ সংক্ষিপ্ত/প্ৰত্যায়িত প্ৰতিলিপিৰ বিপৰীতে বৈধ লিগেচি ডাটা ক'ড প্ৰদানৰ আগেয়ে এনেবোৰ প্ৰতিলিপি চৰকাৰী কাৰ্য্যালয়স্থিত **লিগেচি ডাটা**ৰ লগত মিলাই সেইবোৰৰ সত্যাসত্যতা নিৰূপণ কৰা হ'ব। এনে ক্ষেত্ৰত নাগৰিকসকলে স্থলতে সত্যাসত্য নিৰূপণৰ বাবে আৰু বৈধ লিগেচি ডাটা ক'ড সংগ্ৰহৰ বাবে লগত থকা সংক্ষিপ্ত/প্ৰত্যায়িত প্ৰতিলিপিসহ মনোনীত নাগৰিকপঞ্জী সেৱা কেন্দ্ৰলৈ যাব লাগিব বা এন আৰ চি ৱেবচাইট চাব লাগিব।

**উল্লেখযোগ্য যে, কম্পিউটাৰসম্ভূত লিগেচি ডাটা পদ্ধতিটো নাম বিচৰাৰ এক সহজ উপায় মাত্ৰ আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে ই প্ৰয়োজনীয় যোগ্যতাৰ শেষ অৱলম্বন নহয়। কম্পিউটাৰসম্ভূত বা ছপা কৰা লিগেচি ডাটাত কোনো ব্যক্তিৰ পূৰ্বপুৰুষৰ নামৰ উল্লেখ নাথাকিলেও আৱেদনকাৰীয়ে ২৪ মাৰ্চ, ১৯৭১ চন (মাজনিশা )ৰ পূৰ্বে প্ৰদান কৰা গ্ৰহণযোগ্য নথিৰ যিকোনো এটা দাখিল কৰি নিজৰ নাম অন্তৰ্ভুক্তিৰ বাবে আৱেদন কৰিব পাৰিব। গ্ৰহণযোগ্য নথিসমূহৰ এই তালিকা এন আৰ চি সেৱা কেন্দ্ৰ আৰু এন আৰ চি ৱেবচাইটত চাব পাৰিব।**





**আৱেদনপত্ৰ দাখিল কৰাৰ সময়সীমা কি ?**

**আৱেদনপত্ৰসমূহ ২০১৫ চনৰ এপ্ৰিল মাহৰ অন্তিম সপ্তাহত জনসাধাৰণৰ মাজত বিতৰণ কৰা হ'ব আৰু ২০১৫ চনৰ জুলাই মাহৰ ভিতৰত প্ৰয়োজনীয় নথি সংলগ্ন কৰি সম্পূৰ্ণকৈ পূৰণ কৰা আৱেদনপত্ৰসমূহ দাখিল কৰিব লাগিব।** আৱেদনপত্ৰ দাখিল কৰাৰ সন্দৰ্ভত পৃথকে বিস্তৃতভাৱে বিজ্ঞাপনযোগে প্ৰচাৰ অভিযান চলোৱাৰ লগতে নিৰ্দ্দেশনাৱলীও জাৰি কৰা হ'ব।

## নাগৰিকপঞ্জী সেৱা কেন্দ্ৰত বা অনলাইনযোগে লিগেচি ডাটা চোৱা আৰু লিগেচি ডাটা ক'ড প্ৰদান সম্পূৰ্ণ বিনামূলীয়া।

**মনযোগ দিব**

১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে প্ৰকাশিত যিকোনো বছৰৰ লিগেচি ডাটা অদ্যাৱধিকৰণ কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে গ্ৰাহ্য হ'ব। লিগেচি ডাটাত ভুল হৈ থকা নামৰ সন্দৰ্ভত নিৰীক্ষণৰ সময়ত নিৰীক্ষণকাৰী বিষয়াই যথাবিহীতভাৱে উপযুক্ত সাক্ষ্য লিপিবদ্ধ কৰি সিদ্ধান্ত ল'ব। শপতনামা দাখিল কৰিলেও তাৰ গ্ৰহণযোগ্যতা যথোচিত পৰীক্ষা-নিৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিব।

**আপোনাৰ ভূমিকাঃ**

**ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ যোগ্যতাৰ প্ৰয়োজনীয় নথি-পত্ৰ সংলগ্ন কৰি সময়মতে আৱেদনপত্ৰ জমা কৰিবলৈ এতিয়াৰ পৰাই লাগতিয়াল নথি-পত্ৰসমূহ সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰক। আহক, আমি সকলোৱে ঐক্যবদ্ধভাৱে আমাৰ নিজৰ আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে ত্ৰুটিবিহীন এখন ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰকাশ কৰাৰ কৃত্তিত্বক সাফল্যৰ এক কাহিনীলৈ ৰূপান্তৰিত কৰোঁহঁক।**

| বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে | আমাৰ টোল ফ্ৰী/হেল্পলাইন নম্বৰ<br>১৫১০৭ (15107) | আমাৰ ৱেবচাইট<br>nrcassam.nic.in | *ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।* |
|---|---|---|---|

Exclusive/NRC/04-2015/03